দৈনিক অগ্ৰদূত - ২০/৭

# এন আৰ চি ঃ প্ৰপত্ৰ গ্ৰহণৰ লেহেমীয়া গতিত হতাশ-উৎকণ্ঠিত জনতা

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

লাহৰীঘাট/জৰুৰা-বন্দিহানা/ৰূপহীহাট, ১৯ জুলাই ঃ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এন আৰ চি)ৰ প্ৰপত্ৰ জমা দিয়াৰ অন্তিম দিন চমু চাপি অহাৰ সময়তো ৰাজ্যৰ স্থানে স্থানে ইয়াক কেন্দ্ৰ কৰি বিক্ষিপ্ত ঘটনা সংঘটিত হৈ আছে। ৰূপহীহাটত প্ৰপত্ৰ জমা লোৱাত এন আৰ চি বিষয়াৰ হেমাহিত ৰাইজৰ মাজত ভিতৰি ভিতৰি উত্তেজনা বিয়পি পৰিছে। দক্ষিণ ১০ পৃষ্ঠাত চাওক

২০/৭

## এন আৰ চি ঃ প্ৰপত্ৰ গ্ৰহণৰ লেহেমীয়া

প্ৰথম পৃষ্ঠাৰ পৰা শালমাৰাতো প্ৰপত্ৰ গ্ৰহণৰ শামুকীয়া গতি দেখি এয়া নিৰ্ধাৰিত সময়ত সম্পন্ন হোৱাৰ সম্ভাৱনা ক্ষীণ বুলি সন্দেহ কৰিছে ৰাইজে। আনহাতে, লাহৰীঘাটত এন আৰ চিৰ বাবে প্ৰয়োজনীয় তথ্য-প্ৰপত্ৰক কেন্দ্ৰ কৰি এতিয়াও মুকলি বজাৰ বহাৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে এন আৰ চিৰ প্ৰপত্ৰ গ্ৰহণৰ অন্তিম সময়সীমা উকলিবলৈ মাজত মাত্ৰ কেইদিনমানহে থকা সত্ত্বেও ৰূপহী ৰাজহচক্ৰৰ অন্তৰ্গত ছাইদৰীয়া আৰু হাতীপুখুৰী পঞ্চায়তত নিয়োজিত বিষয়া-কৰ্মচাৰীৰ হেমাহিত শ শ লোকে এয়া দাখিল কৰিব নোৱাৰাত উত্তেজনা বিয়পি পৰিছে। তদুপৰি খামখেয়ালিৰ প্ৰপত্ৰ জমা লোৱা কাৰ্য লেহেমগতিত চলাই নিয়াত এই প্ৰক্ৰিয়াই অগ্ৰগতি লাভ কৰিব পৰা নাই। সংশ্লিষ্ট বিষয়াসকলে পঞ্চায়তৰ সেৱা কেন্দ্ৰত ১২-এক মান বজাত উপস্থিত হৈ নিতৌ ৩০-৩৫খনহে প্ৰপত্ৰ জমা ল'বলৈ সক্ষম হোৱাত হাতে হাতে প্ৰপত্ৰ লৈ উভতি আহিবলগীয়া হোৱাত ক্ষুব্ধ হৈ পৰিছে ৰাইজ। পঞ্চায়ত দুখনত যিকোনো মুহূৰ্তত আইন-শৃংখলাজনিত পৰিস্থিতিৰ অৱনতি ঘটাৰ আশংকা ঘণীভূত হৈছে। দুহেজাৰকৈ প্ৰপত্ৰ জমা হ'বলগীয়া ছাইদৰীয়াত এই পৰ্যন্ত ২৫৬ জন আৰু হাতীপুখুৰীত ৬৫০ জন লোকেহে প্ৰপত্ৰ জমা দিবলৈ সক্ষম হোৱা বুলি জানিব পৰা গৈছে। আনকি তেলীয়াৰপৰী টুপ গাঁৱত এসপ্তাহ পূৰ্বেহে প্ৰপত্ৰ ঘৰে ঘৰে বিতৰণ কৰা হৈছে। ছাইদৰীয়াত লেহেম গতি অব্যাহত থকা বাবে সচেতন মহলে এই কামত নিয়োজিত উপ-পঞ্জীয়ক মনজিৎ দাসকে জগৰীয়া কৰিছে। নথিপত্ৰত নামৰ বানান ভুল থকাৰ বাবেই প্ৰপত্ৰ ঘূৰাই পঠিওৱা বুলি সৰৱ চৰ্চা অব্যাহত আছে। তদুপৰি বিষয়াজনে অকৰ্তৃত্বশীল লোকৰ হতুৱাই কাম চলাই নিয়া বুলিও অভিযোগ উঠিছে। আনহাতে, পঞ্চায়তখনৰ কম্পিউটাৰ অপাৰেটৰৰ লেহেমগতিৰ কামৰ বাবেও বহু লোকে প্ৰপত্ৰ জমা দিব পৰা নাই। ইপিনে, হাতীপুখুৰী পঞ্চায়তৰ এল চি আৰ ফণীন্দ্ৰ বৰ্মন আৰু দুৰ্নীতিগ্ৰস্ত পঞ্চায়ত সচিব স্বপন কুমাৰ ধৰৰ হেমাহিয়ে ৰাইজক বাৰুকৈয়ে জ্বলা-কলা কৰিছে। সচিবজনৰ অনিয়মীয়া উপস্থিতিক কেন্দ্ৰ কৰি ৰাইজে ইতিমধ্যে তিনিবাৰকৈ কাৰ্যালয়ত আক্ৰমণ কৰি আচবাব লণ্ডভণ্ড কৰি পেলাইছিল।

### দক্ষিণ শালমৰাত মাত্ৰ ১৫ শতাংশ আবেদনপত্ৰ গ্ৰহণ

ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এন আৰ চি) উন্নীতকৰণৰ প্ৰপত্ৰ জমা দিয়াৰ দিন চমু চাপি অহাক কেন্দ্ৰ কৰি উৎকণ্ঠা আৰু হতাশাৰ সৃষ্টি হৈছে ধুবুৰী জিলাৰ দক্ষিণ শালমাৰা সমষ্টিবাসীৰ মাজত। প্ৰপত্ৰ জমা লোৱাৰ বাবে মাজতে ১০টা দিন বাকী থকা সময়তে সমষ্টিটোত মুঠতে ১৫ৰ পৰা ২০ শতাংশ পৰিয়ালেহে পত্ৰ জমা দিবলৈ সক্ষম হৈছে। সমষ্টিটোৰ মুঠ ২৯খন গাঁও পঞ্চায়তৰ প্ৰতিখন গাঁও পঞ্চায়তত দুটাকৈ সেৱা কেন্দ্ৰ স্থাপন কৰা হৈছে। এনে কেন্দ্ৰবোৰে অতিৰিক্ত ৩০ খনকৈ প্ৰপত্ৰ জমা লোৱাৰ প্ৰাপ্তি স্বীকাৰ ৰছিদ দিব পাৰে। প্ৰতিটো গাঁও পঞ্চায়তত থকা দুটাকৈ সেৱা কেন্দ্ৰত মাথোন দুটাকৈ কম্পিউটাৰ স্থাপন কৰা হৈছে। মুঠতে দুটা কম্পিউটাৰত প্ৰতিদিনে ৫০ৰ পৰা ৬০ টালৈকে পৰিয়ালৰ প্ৰপত্ৰ ডাউনলোড কৰি প্ৰাপ্তি স্বীকাৰৰ ৰছিদ প্ৰদান কৰিব পাৰে। এই ১০টা দিনত প্ৰায় ৮০ শতাংশ পৰিয়ালৰ প্ৰপত্ৰ গ্ৰহণ কৰা এনে সেৱা কেন্দ্ৰৰ বাবে একেবাৰে অসম্ভৱ হৈ পৰিছে। উদাহৰণ স্বৰূপে সমষ্টিটোৰ জৰুৱাৰ চৰগাঁও পঞ্চায়তত মুঠ পৰিয়ালৰ সংখ্যা হৈছে ৩,৪২২টা। ইয়াৰে ৪৯টা পৰিয়ালে তেওঁলোকৰ আবেদনপত্ৰ জমা দি প্ৰাপ্তি স্বীকাৰৰ ৰছিদ ল'বলৈ সক্ষম হৈছে। পঞ্চায়তখনৰ দুটা সেৱা কেন্দ্ৰত প্ৰতিদিনে শ শ পৰিয়ালে আবেদনপত্ৰ জমা দিবলৈ গোটেই দিনজুৰি অপেক্ষা কৰি থাকিবলগীয়া হৈছে যদিও কেন্দ্ৰবোৰে মাথোন ২৫ৰ পৰা ৩০খন প্ৰপত্ৰ জমা ল'বলৈ সক্ষম হৈছে। এনেদৰে প্ৰপত্ৰ জমা দিবলৈ ব্যৰ্থ হৈ প্ৰতিদিনে হাৰাশাস্তি হৈছে শ শ লোকে। গাঁও পঞ্চায়তৰ সেৱা কেন্দ্ৰবোৰ খোলাৰ পূৰ্বৰে পৰাই আৰম্ভ হয় প্ৰপত্ৰ জমা দিবলৈ অহা লোকৰ শাৰী। উল্লেখ্য যে সমষ্টিটোৰ খ্যাতনামা জৰুৱাৰ চৰ গাঁও পঞ্চায়তত মাথোন ১৪.৫ শতাংশ পৰিয়ালেহে প্ৰপত্ৰ জমা দিব পাৰিছে। গাঁও পঞ্চায়ত অঞ্চলৰ বাকী দিনকেইটাত আৰু ১০টাকৈ সেৱা কেন্দ্ৰ স্থাপন কৰিলেও নাগৰিকপঞ্জীৰ এশ শতাংশ প্ৰপত্ৰ চৰকাৰে গ্ৰহণ কৰিবলৈ সক্ষম নহ'ব বুলি ৰাইজে মত প্ৰকাশ কৰিছে।

### লাহৰীঘাটত এন আৰ চিৰ নামত বহিছে মুকলি বজাৰ

মৰিগাঁও জিলাৰ অন্তৰ্গত বৃহত্তৰ লাহৰীঘাট অঞ্চলত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ নামত বহিছে মুকলি বজাৰ। ৰাইজৰ প্ৰয়োজনৰ সুযোগ গ্ৰহণ কৰি ধন ঘটাৰ অভিযোগ উত্থাপিত হৈছে একাংশ চৰকাৰী দায়িত্ববাহী লোকৰ বিৰুদ্ধে। ৰাইজৰ সৰলতাৰ সুযোগ লৈ অঞ্চলটোৰ একাংশ গাঁওবুঢ়া, জন্মৰ প্ৰমাণপত্ৰ দিয়া কৰ্তৃত্বশীল ব্যক্তি, পঞ্চায়ত সচিব, জনপ্ৰতিনিধি আৰু এন আৰ চিৰ প্ৰপত্ৰ পূৰণ কৰি দিয়া ব্যক্তিজনলৈকে এতিয়া অঞ্চলটোত চলিছে উৎকোচৰ মুকলি বেহা। অভিযোগ মতে, নাগৰিকপঞ্জীৰ প্ৰপত্ৰ পূৰণৰ বাবে বিবাহিত কোনো মহিলাৰ নিজৰ পিতৃৰ পৰিয়ালৰ প্ৰমাণ হিচাপে গাঁওবুঢ়াই দিয়া নিৰ্দিষ্ট প্ৰমাণপত্ৰৰ আধাৰত সংশ্লিষ্ট পঞ্চায়ত সচিবে আন এখন প্ৰমাণপত্ৰ প্ৰদান কৰে। যিখন প্ৰমাণপত্ৰত চক্ৰ বিষয়া অথবা খণ্ড উন্নয়ন বিষয়াই প্ৰত্যাসিত কৰি দিয়ে। এনেবোৰ অতি প্ৰয়োজনীয় প্ৰমাণপত্ৰৰ আলম লৈ একাংশ গাঁওবুঢ়া, পঞ্চায়ত সচিবে মোটা অংকৰ উৎকোচ লোৱা বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। এনেবোৰ প্ৰমাণপত্ৰ উলিয়াই দিয়াৰ নামত স্থানীয় একাংশ লোকে দালালৰ ৰূপত অৱতীৰ্ণ হৈ ধনৰ বিনিময়ত সহায় কৰি দিয়া দেখা গৈছে। সম্প্ৰতি একাংশ গাঁওবুঢ়াই ছীলমোহৰ লগত লৈ ঘৰৰ পৰা বাহিৰলৈ ওলাই যায়। এনেদৰে যাৰ যেতিয়াই প্ৰয়োজন হয়, তেতিয়াই প্ৰমাণপত্ৰ দি ধন ল'বলৈ সাজু হৈ থকাৰ তথ্য পোৱা গৈছে। আনহাতে, ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ প্ৰপত্ৰ পূৰণৰ বাবে কেতবোৰ লোকক শিক্ষাগত অৰ্হতাৰ প্ৰধান শিক্ষকে প্ৰমাণপত্ৰ দিয়াৰ নামত ব্যাপক হাৰত ধন লোৱাৰো অভিযোগ পোৱা গৈছে। এই ক্ষেত্ৰত তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সচেতন ৰাইজে সংশ্লিষ্ট কৰ্তৃপক্ষক দাবী জনাইছে।

রাখাল দাস
হোজাই